**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-03-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰত পৰহিলৈৰ পৰা চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। পৰহিলৈ গোন্ধ যাত্ৰা, ১৪ আৰু ১৫ মাৰ্চত ভৰ দৌল আৰু ১৬ মাৰ্চত সত্ৰ চৌহদত সুঁৱেৰি বা ফাকুৱা উদযাপন কৰা হ'ব। উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত পৰহিলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ পূব শৰণীয়াৰ শ্ৰীমন্ত নামঘৰৰ কলাকৃষ্টি কেন্দ্ৰত তিনি দিনীয়া কাৰ্যসূচীৰে পৰহিলৈৰ পৰা দৌল উৎসৱ উদযাপন কৰা হ'ব। দৌল উৎসৱ উপলক্ষে গুৱাহাটী মহানগৰীত ১৫ মাৰ্চত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। সেইদিনা মহানগৰীৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আদি বন্ধ থাকিব।

০০০০০০০০

সমাগত হোলী আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ সময়ত যাত্ৰীৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৰে মুঠ ৩০টা যাত্ৰাৰ বাবে বিশেষ ৰে'ল চলাচল কৰোৱাব। ইতিমধ্যে নাৰেংগী-গোৰখপুৰ জংছন-নাৰেংগী, কাটিহাৰ-অমৃতসৰ-কাটিহাৰ, কামাখ্যা-আনন্দ বিহাৰ টাৰ্মিনেল হৈ কামাখ্যা অভিমুখী ৰে'লৰ লগতে মুঠ ২৬ টা যাত্ৰাৰ বাবে বিশেষ ৰে'লৰ চলাচলৰ বিষয়ে ৰে'লৰে সূত্ৰই প্ৰকাশ কৰিছে। ইয়াৰ উপৰি ডিব্ৰুগড়ৰ পৰা জয়নগৰ হৈ পুনৰ ডিব্ৰুগড়ত উপস্থিত হ'বলগীয়া আৰু ডিব্ৰুগড়ৰ পৰা গোৰখপুৰলৈ যাত্ৰা কৰি পুনৰ ডিব্ৰুগড়লৈ চাৰিটা যাত্ৰাৰ বাবে ৰে'ল চলাচল কৰোৱা হ'ব বুলি উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মাজুলীত কৃষক মেলা ২০২৫ অনুষ্ঠিত হৈছে। মাজুলী জিলা কৃষি বিভাগৰ অধীনত জিলা কৃষি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত অনুষ্ঠিত এই মেলাত জিলাখনৰ ভালেমান কৃষক আৰু কৃষি কাৰ্যৰ লগত জড়িত লোক উপস্থিত আছে। মেলাখন গড়মূৰৰ বংশীগোপাল নাট্য মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হৈছে।

০০০০০০০০

মানকাছৰৰ বাঘাপাৰা বৌ বজাৰত কালি নিশা কালাপানী আৰক্ষীৰ সহযোগত হাতশিঙিমাৰী জিলা আৰক্ষীয়ে এটা অভিযান চলাই জাল নথিপত্ৰ তৈয়াৰ কৰি এটা চক্ৰ উৎখাত কৰে। এই চক্ৰটোৰ পৰা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ জাল নথিপত্ৰ উদ্ধাৰ কৰাৰ লগতে এনে কাৰ্যৰ সৈতে জড়িত এজনক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা নথিপত্ৰসমূহৰ ভিতৰত জন্মৰ ৭৭ খন ভুৱা প্ৰমাণপত্ৰ, মৃত্যুৰ ১১ খন ভুৱা প্ৰমাণপত্ৰ, ১৩৪ খন আধাৰ কাৰ্ড, ১১ খন পেন কাৰ্ড, ২৫ খন ভোটাৰ পৰিচয়পত্ৰ, তিনিখন এছ বি আই এ টি এম কাৰ্ড,

৮খন পি এন বি এটি এম কাৰ্ড আৰু এটা প্ৰিন্টাৰ আছে। এই চক্ৰটোৱে জিলাখনত ভুৱা নথিপত্ৰ তৈয়াৰৰ নেটৱৰ্ক চলাই থকা বুলি জানিব পাৰি আৰক্ষীয়ে অভিযান চলাইছিল।

oooooooo

ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত এগৰাকী যাত্ৰীৰ বেগৰ পৰা কালি এটা সক্ৰিয় গুলী উদ্ধাৰ হৈছে। ব্যৱসায়সূত্ৰে অৰুণাচলৰ লংডিঙিত থকা ৰাজস্থানৰ চিন্তু দয়াল নামৰ ব্যক্তিজনে ইণ্ডিগো বিমানেৰে দিল্লীলৈ যাবলৈ আহোতে নিৰাপত্তাৰক্ষীয়ে কৰা তালাচীত এই সক্ৰিয় গুলীটো উদ্ধাৰ কৰে। বৰ্তমান নিৰাপত্তাৰক্ষী আৰু আৰক্ষীয়ে ব্যক্তিজনক আটক কৰি সোধাপোছা অব্যাহত ৰাখিছে। গুলীটো তেখেতৰ বেগত কেনেকৈ সোমাল সেই বিষয়ে তেওঁ অৱগত নহয় বুলি কোৱাৰ লগতে কোনো উগ্ৰপন্থী দলৰ লোকে তেওঁৰ অলক্ষীতে এই গুলীটো ভৰাই দিব পাৰে বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি দিয়ে।

oooooooo

অসম-মেঘালয় সীমান্তৱৰ্তী শ্বেওৰাগিৰীত আজি পুৱাৰ ভাগত হোৱা এটা পথ দুৰ্ঘটনাত এজন শ্ৰমিক থিতাতে নিহত হয়। ৰাস্তাৰ কাষত ৰৈ থকা মালভৰ্তি ট্ৰাক এখনক পিছফালৰ পৰা অহা পিক-আপ ভানে খুন্দিওৱাৰ ফলত ভেনখনত থকা এজন শ্ৰমিকৰ মৃত্যু হয়। নিহত শ্ৰমিকজন মানকাছৰৰ খাৰুৱাবান্ধা আৰক্ষী চকীৰ অন্তৰ্গত খাৰুৱাবান্ধা গাঁৱৰ ৰহিম বাদশ্বাহ বুলি জানিব পৰা গৈছে। দুৰ্ঘটনাৰ পাছতে মেঘালয় আৰক্ষী দুৰ্ঘটনা স্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তুৰালৈ প্ৰেৰণৰ ব্যৱস্থা কৰে।

oooooooo

বাক্সা জিলাৰ শিমলা থানাৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা এটা পথ দুৰ্ঘটনাত এজন কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনীৰ জোৱানসহ আন এজন যুৱকৰ থিতাতে মৃত্যু হয়। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে শিমলাৰ পৰা দুচকীয়া বাহনেৰে আহি থকা সময়তে ৰৈ থকা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত যুৱক দুজনৰ কৰুণ মৃত্যু হয়। মৃত যুৱক দুজনৰ এজন জালাহ্ গাঁৱৰ বিকি মেধি আৰু আনজন দক্ষিণ অঞ্চলিৰ মৃগাংক দাস বুলি জানিব পৰা গৈছে। ইয়াৰে বিকি মেধি নামৰ যুৱকজন জালাহ্ অঞ্চলৰ এগৰাকী ফুটবল খেলুৱৈ হিচাপে পৰিচিত আছিল। আনজন যুৱক মৃগাংক দাস কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনীত নিয়োজিত আছিল। দুয়োজন সৰবৰহী যুৱকৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

oooooooo

ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ তথা জিলা ক্ৰীড়া সন্থাৰ সহযোগত গুৱাহাটী ক্ৰীড়া সন্থাই আয়োজন কৰা ৭০ সংখ্যক লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত আজি দ্বিতীয়খন ছেমিফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাৱ-শ্বিলং লাজং ফুটবল ক্লাৱৰ মুখামুখি হ'ব। কালি জজ ফিল্ডত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত উত্তৰ-পূৰ সীমান্ত ৰেলৱে ক্ৰীড়া সন্থাই - গ্লোৰেল ফুটবল ক্লাৱক ৩-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

oooooooo

সমাপ্ত